# জনসংযোগ, অসম
# মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
# প্ৰেছ বাৰ্তা

**নং ঃ ৮৭/২০২০**

## অসম চুক্তিৰ ৬ নং দফা ৰূপায়ণৰ বাবে গঠিত উচ্চ পৰ্যায়ৰ সমিতিৰ প্ৰতিবেদন গ্ৰহণ কৰিলে মুখ্যমন্ত্ৰীয়ে

**দিছপুৰ, ২৫ ফেব্ৰুৱাৰী ঃ** অসম চুক্তিৰ ৬ নং দফা ৰূপায়ণৰ ক্ষেত্ৰত পৰামৰ্শ প্ৰদানৰ বাবে অৱসৰপ্ৰাপ্ত ন্যায়াধীশ বিপ্লৱ কুমাৰ শৰ্মাৰ অধ্যক্ষতাত গঠিত উচ্চ পৰ্যায়ৰ সমিতিখনে আজি ইয়াৰ পৰামৰ্শাৱলী সন্নিৱিষ্ট প্ৰতিবেদনখন মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ হাতত আনুষ্ঠানিকভাৱে অৰ্পণ কৰে। মুখ্যমন্ত্ৰীয়ে এতিয়া এই প্ৰতিবেদনখন কেন্দ্ৰীয় চৰকাৰলৈ প্ৰেৰণৰ ব্যৱস্থা কৰিব।

ব্ৰহ্মপুত্ৰ ৰাজ্যিক অতিথিশালাত আজি পুৱা আনুষ্ঠানিকভাৱে এই প্ৰতিবেদন দাখিলৰ মুহূৰ্তত ৰাজ্য চৰকাৰৰ বিত্ত, স্বাস্থ্য, গড়কাপ্তানী, শিক্ষা আদি বিভাগৰ মন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা, উদ্যোগ আৰু বাণিজ্য বিভাগৰ মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰী, কৃষি মন্ত্ৰী অতুল বৰা, গুৱাহাটী উন্নয়ন বিভাগৰ মন্ত্ৰী সিদ্ধাৰ্থ ভট্টাচাৰ্য, মুখ্যমন্ত্ৰীৰ মিডিয়া উপদেষ্টা হৃষীকেশ গোস্বামী, মুখ্যমন্ত্ৰীৰ আইন উপদেষ্টা শান্তনু ভৰালীৰ লগতে আন বহুকেইগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত আছিল।

**স্বাঃডেঃ**
**২৫/০২/২০২০**

**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com
/CMOfficeAssam / /cmofficeassam cmassam.prcell@gov.in